NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় খাদ্য নিগমৰ বাবে দহ হাজাৰ ৭০০ কোটি টকাৰ ইকুইটি বিনিয়োগ কৰাৰ প্ৰস্তাৱত অনুমোদন দিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি টেলিফোনযোগে ডনাল্ড ট্ৰাম্পৰ সৈতে কথা পাতে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত লাভ কৰা আকৰ্ষণীয় জয়ৰ বাবে তেওঁক অভিনন্দন জনায়।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত সন্ত্ৰাসবাদ বিৰোধী সন্মিলন ২০২৪ক সম্বোধন কৰিব।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ষট্ পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে।

*আৰু*

৫। ভাৰতৰ দিৰিজ চৰণ আৰু ইজৰাইলৰ ডেনিয়েল কুকিৰমেনৰ যুটীটোৱে এইচ পি পি অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

000

কেন্দ্ৰীয় চৰকাৰেৰ ভাৰতীয় খাদ্য নিগমৰ বাবে দহ হাজাৰ ৭০০ কোটি টকাৰ ইকুইটি বিনিয়োগ কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, ভাৰতীয় খাদ্য নিগমে খাদ্য ক্ৰয়ৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু ইয়াক শক্তিশালী কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কেবিনেটৰ সিদ্ধান্তক ভাৰতীয় খাদ্য নিগমৰ সঞ্চালন সামৰ্থ্য বৃদ্ধিৰ বাবে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিছে। এই বিনিয়োগৰ ফলত চৰকাৰৰ ওপৰত পৰা সূত আৰু ৰেহাইৰ বোজা হ্ৰাস পাব। ভাৰতীয় খাদ্য নিগমে ন্যূনতম সমৰ্থন মূল্যত খাদ্য সামগ্ৰীৰ ক্ৰয় কৰি, ভাণ্ডাৰ বৰ্তাই ৰাখি আৰু বজাৰত খাদ্য সামগ্ৰীৰ মূল্য সুস্থিৰ কৰি ৰাখি খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি টেলিফোনযোগে ডনাল্ড ট্ৰাম্পৰ সৈতে কথা পাতে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত লাভ কৰা আকৰ্ষণীয় জয়ৰ বাবে তেওঁক অভিনন্দন জনায়। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে তেওঁ প্ৰযুক্তি, প্ৰতিৰক্ষা, শক্তি, মহাকাশ আৰু আন ভালেমান খণ্ডত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিবলৈ পুনৰ একেলগে কাম কৰিবলৈ আগ্ৰহী।

প্ৰধানমন্ত্ৰীয়ে লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদৰ নিৰ্বাচনৰ ৰিপাব্লিকান দলৰ প্ৰদৰ্শনৰ বাবেও ৰাষ্ট্ৰপতি ট্ৰাম্পক অভিনন্দন জ্ঞাপন কৰে। সূত্ৰৰ পৰা জানিব পৰা মতে দুয়োগৰাকী নেতাই আলোচনা কালত বিশ্ব শান্তিৰ হকে একেলগে কাম কৰাৰ কথা প্ৰকাশ কৰে। আলোচনা কালত শ্ৰীট্ৰাম্পে কয় যে

সমগ্ৰ বিশ্বই প্ৰধানমন্ত্ৰী মোদীক ভাল পায়। ভাৰতবৰ্ষক এখন আকৰ্ষণীয় দেশ বুলি অভিহিত কৰি শ্ৰীট্ৰাম্পে প্ৰধানমন্ত্ৰী মোদীক এগৰাকী আকৰ্ষণীয় ব্যক্তি বুলি মন্তব্য কৰে। শ্ৰীট্ৰাম্পে কয় যে তেওঁ প্ৰধানমন্ত্ৰী মোদী আৰু ভাতবৰ্ষক প্ৰকৃত বন্ধু বুলি গণ্য কৰে। ডনাল্ড ট্ৰাম্পে জয়ৰ পাছত তেওঁৰ সৈতে প্ৰথমে কথা পতা বিশ্বৰ আগশাৰীৰ নেতাসকলৰ ভিতৰত প্ৰধানমন্ত্ৰী মোদী অন্যতম বুলি অভিহিত কৰে।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত সন্ত্ৰাসবাদ বিৰোধী সন্মিলন ২০২৪ক সম্বোধন কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ ৰাষ্ট্ৰীয় তদন্ত সংস্থাই এই দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। সম্পূৰ্ণ চৰকাৰ দৃষ্টিভংগীত সন্ত্ৰাসবাদৰ বিভীষিকাৰ বিৰুদ্ধে সমন্বিত ব্যৱস্থা গ্ৰহণৰ বাবে ব্যৱস্থা বিকশাই তুলি বিভিন্ন পক্ষৰ মাজত সমন্বয় গঢ়ি তোলা আৰু ভৱিষ্যতৰ নীতি প্ৰস্তুতকৰণৰ বাবে পৰামৰ্শ আগবঢ়োৱাই এই সন্মিলনৰ মূল উদ্দেশ্য।

০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰে কালি ছত্তিশগড়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে নৱ ৰায়পুৰত আয়োজন কৰা তিনিদিনীয়া ৰাজ্যোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰলৈ প্ৰশংসনীয় অৱদান আগবঢ়োৱা ব্যক্তিসকলক বঁটা প্ৰদান কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ভাষণত ৰাজ্যৰ স্বাৰ্থক ৰাষ্ট্ৰীয় দৃষ্টিকোণৰ পৰা চোৱা উচিত বুলি উল্লেখ কৰে।

০০০

আজি ষট্ পূজাৰ তৃীতয় দিন। এই উপলক্ষে ভক্তসকলে বিভিন্ন নৈৰ পাৰত অস্তগামী সূৰ্যলৈ অৰ্ঘ্য আগবঢ়াব। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে এই চাৰিদিনীয়া উৎসৱৰ সামৰণি পৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ষট্ পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাযোগে কৈছে যে ষট্ পূজা দেশৰ প্ৰাচীন উৎসৱসমূহৰ অন্যতম আৰু সূৰ্য দেৱতাৰ উপাসনাৰ এটা উপলক্ষ। তেওঁ কয় যে এই উৎসৱৰ জৰিয়তে প্ৰকৃতিৰ অনন্য উপহাৰস্বৰূপ নৈ আৰু পুখুৰী আদিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয় আৰু কঠিন উপবাসৰ মাধ্যমেৰে মন আৰু আত্মাক শুদ্ধ কৰা হয়। এই উৎসৱে জনসাধাৰণক পৰিৱেশ সুৰক্ষিত কৰিবলৈ অনুপ্ৰাণিত কৰে বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব আৰু ইয়াৰ ফলত প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গোৱা ভ্ৰমণ কৰিব। গোৱাত ৰাষ্ট্ৰপতিগৰাকীয়ে 'ডে এট ছি', অৰ্থাৎ সাগৰত এদিন শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰিব । অনুষ্ঠানত আই এন এছ বিক্ৰান্তৰ পৰা উৰণ অভিযানৰ আভাসকে ধৰি ভাৰতীয় নৌসেনাৰ সামৰ্থ্য প্ৰদৰ্শন কৰা হ'ব।

০০০

এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটে ঝাৰখণ্ডৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেত্ৰী স্মৃতি ইৰাণীয়ে কালি হাজাৰিবাগৰ এখন নিৰ্বাচনী

সভাত ভাষণ দি কয় যে ঝাৰখণ্ড মুক্তি মৰ্চা আৰু কংগ্ৰেছৰ নেতাসকলে মহিলাৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰিছে। শ্ৰীমতী ইৰাণীয়ে কয় যে জনসাধাৰণে এই ৰাজনৈতিক দলকেইটাৰ গতিবিধি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু তেওঁলোকক আসন্ন বিধানসভা নিৰ্বাচনত যোগ্য প্ৰত্যুত্তৰ দিব।

ইপিনে, ঝাৰখণ্ড মুক্তি মৰ্চাৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে চৰাইকেলাৰ এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি স্মৃতি ইৰাণীৰ অভিযোগ খণ্ডন কৰে আৰু মহিলাৰ সবলীকৰণৰ বাবে ভালেমান পদক্ষেপ লোৱা বুলি উল্লেখ কৰে।

আৰ জে ডি, এ জে এছ ইউ আৰু চি পি আই - এম এল দলৰ নেতাসকলেও ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মন জয়ৰ বাবে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। চি পি আই এমৰ পলিট ব্যুৰো সদস্য বৃন্দা কাৰাটে কালি এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। ৮১জনীয়া ঝাৰখণ্ড বিধানসভাৰ বাবে ১৭ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত কৰা হ'ব। ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

২০ নৱেম্বৰত হ'বলগীয়া মহাৰাষ্ট্ৰ নিৰ্বাচনৰ বাবেও প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। শাসক আৰু বিৰোধী মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰকসকলে ভোটদাতাসকলক দলৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিবলৈ লৈছে।

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কালি বিয়লি নাগপুৰৰ এখন নিৰ্বাচনী সভাত ভাষণ দি জাতিগত লোকপিয়ল অনুষ্ঠিত কৰাৰ আৰু সামাজিক ন্যায় সুনিশ্চিত কৰাৰ স্বাৰ্থত ৫০ শতাংশ সংৰক্ষণৰ সীমা আঁতৰ কৰাৰ দলীয় প্ৰতিশ্ৰুতিৰ কথা দোহাৰে। শ্ৰীগান্ধীয়ে মুম্বাইত দ্বিতীয়খন নিৰ্বাচনী সভাত যুৱ আৰু মহিলাসকলক লক্ষ্য কৰি পাঁচ-দফীয়া প্ৰতিশ্ৰুতি ঘোষণা কৰে। মহা বিকাশ আঘাড়ি মিত্ৰজোঁচৰ সকলো সহযোগী দলে এই সভাত ভাগ লয়।

ইপিনে, বিজেপিৰ নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কালি অমৰাৱতীত কেইবাখনো নিৰ্বাচনী সভাক সম্বোধন কৰে। তেওঁ ভোটদাতাসকলক ভোটদানৰ সময়ত জাতীয়তাবাদ আৰু সুশাসনৰ কথা মনত ৰাখিবলৈ আহ্বান জনায়। ৰাজ্যখনৰ শাসকীয় বিজেপি, শিৱসেনা আৰু এন চি পিয়ে সমৃদ্ধিশালী মহাৰাষ্ট্ৰ গঢ়াৰ বাবে ১০-দফীয়া কাৰ্যসূচী ঘোষণা কৰিছে। এই কাৰ্যসূচীত খেতিয়কসকলক আৰ্থিক সকাহ প্ৰদান, যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপন আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সামাজিক সুৰক্ষাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হৈছে।

০০০

নিৰ্বাচনী আয়োগৰ সংস্থাসমূহে নিৰ্বাচন হ'বলগীয়া মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড তথা উপ-নিৰ্বাচন হ'বলগীয়া অন্যান্য ৰাজ্যসমূহত পাঁচশ আঠাৰন্ন কোটি টকা নগদ ধন, ভোটদাতাক প্ৰলোভিত কৰাৰ বাবে অনা সামগ্ৰী, সুৰা, ড্ৰাগছ আৰু বহুমূলীয়া ধাতু জব্দ কৰিছে। আয়োগে জনাইছে যে মহাৰাষ্ট্ৰত চলা অভিযানত প্ৰায় দুশ আশী কোটি টকা জব্দ কৰা হৈছে। আনহাতে ঝাৰখণ্ডৰ পৰা এতিয়ালৈকে প্ৰায় এশ আঠাৰন্ন কোটি টকা জব্দ কৰাৰ বাতৰি পোৱা গৈছে। আয়োগৰ তথ্য অনুসৰি ২০১৯ চনৰ বিধানসভা নিৰ্বাচনৰ তুলনাত নিৰ্বাচন হ'বলগীয়া ৰাজ্য দুখনত জব্দ কৰা ধনৰ পৰিমাণ তিনিগুণ বৃদ্ধি পাইছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে সকলো বিষয়াক নিৰ্বাচনৰ সময়ছোৱাত যিকোনো ধৰণৰ প্ৰৰোচনাৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছিল।

০০০

ভাৰতীয় ৰেলৱেই যোৱা ছয়ত্ৰিশ দিনত চাৰি হাজাৰ **৫২১**খন বিশেষ ৰে'লগাড়ীৰ জৰিয়তে **৬৫** লাখ যাত্ৰীৰ যাতায়াতৰ সুবিধা কৰিছে। ছট্ পূজাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰালয়ে কাইলৈৰ পৰা **১১** তাৰিখলৈ প্ৰতিদিনে **১৬০**খন বিশেষ ৰে'লগাড়ীৰ সময়সূচী নিৰ্ধাৰণ কৰিছে। বিশেষ ৰে'লগাড়ীসমূহে উৎসৱৰ সময়ছোৱাত যাত্ৰীসকলৰ ভিৰ নিয়ন্ত্ৰণ কৰাত সহায় কৰিব। যাত্ৰীসকলৰ স্থানীয় চাহিদা পূৰণৰ বাবে প্ৰয়োজন সাপেক্ষে সমস্তীপুৰ, দানাপুৰ আদি সংমণ্ডলৰ বাবেও অতিৰিক্ত ৰে'লগাড়ীৰ ঘোষণা কৰা হৈছে।

০০০

ভাৰতৰ দিৱিজ চৰণ আৰু ইজৰাইলৰ ডেনিয়েল কুকিৰমেনৰ যুটীটোৱে ফিনলেণ্ডৰ হেলেচিংকিত অনুষ্ঠিত এইচ পি পি অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চৰণ আৰু কুকিৰমেনৰ যুটিটোৱে যোৱা নিশা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চেক গণৰাজ্যৰ মেটেজ ৰোছেল আৰু ডেনমাৰ্কৰ জোহান্স ইংগিল্ডিছনক ৭-৬, ৭-৫ পোনপটীয়া ছেটত পৰাস্ত কৰে। ভাৰত আৰু ইজৰাইলৰ যুটীটো আজি নিশা কোৱাৰ্টাৰ ফাইনেলত চতুৰ্থ বাছনিপ্ৰাপ্ত ইটালীৰ মাৰ্কো বৰ্টোলটি আৰু ফিনলেণ্ডৰ পেট্ৰিক নিকলাছ ছালমিনেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ১০ বাজিৰ ২০ মিনিটত আৰম্ভ হ'ব।

০০০

সমাপ্ত